জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪২/২০২১

# যুৱক-যুৱতীসকলৰ স্বাৱলম্বন, উদ্যমিতা আৰু আত্মনিৰ্ভৰশীলতাৰ দিশত সহায়ক হোৱাকৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিলে নৱৰূপত স্বয়ম আঁচনিৰ

## এই আঁচনিৰ অধীনত লাভ কৰা ৫০ হাজাৰ টকাক যাতে ৫০ লাখ টকালৈ বৃদ্ধি কৰিব পৰা যায় সেই দিশত যুৱক-যুৱতীসকলে উপযুক্ত পৰিকল্পনা আৰু কৰ্মপদ্ধতিৰে কঠোৰ পৰিশ্ৰমত ব্ৰতী হ'ব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২০ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি আমিনগাঁৱৰ কুমাৰ ভাস্কৰ বৰ্মন ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ বিত্ত বিভাগৰ দ্বাৰা আয়োজিত এক অনুষ্ঠানত ৰাজ্যখনৰ যুৱক-যুৱতীসকলৰ উদ্যমিতা আৰু স্বাৱলম্বনৰ দিশত সহায়ক হোৱাকৈ নৱৰূপত স্বয়ম (স্বামী বিবেকানন্দ যুৱ সৰলীকৰণ যোজনা) নামৰ যুগান্তকাৰী আঁচনিখন বন্তি প্ৰজ্জ্বলনেৰে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে আঁচনিখনৰ কেইগৰাকীমান হিতাধিকাৰীক আনুষ্ঠানিকভাৱে আৰ্থিক সাহায্যৰ চেক প্ৰদান কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে স্বামী বিবেকানন্দৰ প্ৰতি প্ৰকৃতাৰ্থত শ্ৰদ্ধাশীল হৈ এই আঁচনিৰ অধীনত পুঁজি লাভ কৰা যুৱক-যুৱতীসকলে আত্মনিৰ্ভৰশীল অসম গঢ়ি তোলাৰ লগতে আত্মনিৰ্ভৰশীল ভাৰত নিৰ্মাণৰ দিশতো অৰ্থৱহভাৱে অৰিহণা যোগাব লাগিব। স্বাৱলম্বিতা, দক্ষতা আৰু উদ্যমিতা বিকাশৰ বাবে গ্ৰহণ কৰা এই আঁচনিৰ অধীনত লাভ কৰা ৫০ হাজাৰ টকাৰ পৰা যাতে ৫০ লাখ টকালৈ বৃদ্ধি কৰিব পৰা যায় সেই দিশত যুৱক-যুৱতীসকলে উপযুক্ত পৰিকল্পনা আৰু কৰ্মপদ্ধতিৰে কঠোৰ পৰিশ্ৰমত ব্ৰতী হ'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ২১ শতিকা বিজ্ঞান আৰু প্ৰযুক্তিৰ শতিকা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই প্ৰতিযোগিতামুখী বাতাৱৰণত আমাৰ যুৱক-যুৱতীসকলে নিজৰ যোগ্যতা আৰু দক্ষতা উপযুক্তভাৱে কামত খটুৱাই বিশ্বৰ বজাৰত প্ৰভূত্ব বিস্তাৰ কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ বাবে যি আহ্বান জনাইছে সেই আহ্বানৰ প্ৰতি সঁহাৰি জনাই আমাৰ এই উঠি অহা যুৱক-যুৱতীসকলে সকলো দিশতে স্বাৱলম্বিতা অৰ্জনেৰে আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ দিশত দায়বদ্ধতাৰে অগ্ৰসৰ হ'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। যুৱ শক্তিৰ দ্বাৰা এখন শক্তিশালী অসম আৰু এখন শক্তিশালী ভাৰতবৰ্ষ গঢ়ি তোলাটো সম্ভৱ বুলি উল্লেখ কৰি সেই শক্তি যাতে অথলে নাযায় তাৰ বাবে উপযুক্ত পৰিকল্পনাৰে আগবঢ়াৰ বাবেও তেওঁ আহ্বান জনায়। প্ৰধানমন্ত্ৰী

নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ যুৱ শক্তিৰ বিকাশৰ বাবে স্কীল ইণ্ডিয়া, মেড ইন ইণ্ডিয়া, ষ্টাৰ্ট আপ ইণ্ডিয়া, ষ্টেণ্ড আপ ইণ্ডিয়াৰ দৰে যুগান্তকাৰী আঁচনি গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে সেই আঁচনিসমূহো সঠিকভাৱে অধ্যয়ন কৰি ইয়াৰ দ্বাৰা লাভান্বিত হোৱাৰ বাবে আহ্বান জনায়। কংগ্ৰেছে ৫৫ বছৰ ধৰি যি কাম কৰিব পৰা নাছিল সেই কাম প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাত্ৰ ৬ বছৰীয়া কাৰ্যকালতে সম্ভৱ হৈ উঠিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ঠিক তেনেদৰে বৰ্তমানৰ ৰাজ্য চৰকাৰখনেও আৰম্ভণিৰে পৰা যুৱ শক্তি তথা নৱ প্ৰজন্মৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ বাবে দুৰ্নীতিৰ বিৰুদ্ধে শক্তিশালী অভিযান চলাই এক স্বচ্ছ আৰু নিকা প্ৰশাসন ব্যৱস্থা গঢ়াৰ দিশত পদক্ষেপ লৈছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে কৰ্ম সংস্কৃতি সবল হ'লেহে দেশ শক্তিশালী হয়। এলেহুৱা মানুহে কোনো কাম বা কোনো সফলতা লাভ কৰিব নোৱাৰে বুলি উল্লেখ কৰি অসমৰ যুৱ শক্তিয়ে যাতে এক শ্ৰেষ্ঠ মানৱ সম্পদলৈ ৰূপান্তৰিত হয় তাৰ বাবে আহোপুৰুষাৰ্থ কৰিবলৈ তেওঁ আহ্বান জনায়।

অসমৰ যুৱ শক্তিয়ে নিজৰ শক্তি, ভক্তি, জ্ঞান, বুদ্ধিৰ উচিত ৰূপত প্ৰয়োগেৰে কেৱল মাত্ৰ ঘৰুৱা বজাৰেই নহয়, সমগ্ৰ দক্ষিণ পূৱ এছিয়াৰ বজাৰ দখল কৰাৰ বাবে অহোপুৰুষাৰ্থ কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে স্বয়ম আঁচনিৰে বৰ্তমান ৰাজ্য চৰকাৰে ২ লাখ যুৱক-যুৱতীক সামৰাৰ ব্যৱস্থা কৰিছে যদিও এই ২ লাখৰ ভিতৰতে এই সংখ্যা সীমাবদ্ধ নাথাকে। পৰৱৰ্তী পৰ্যায়ত চৰকাৰখনে আৰু অধিক যুৱক-যুৱতীলৈ এনেধৰণৰ সহায়-সহযোগিতা আগবঢ়াই যাব বুলিও তেওঁ কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিত্ত, স্বাস্থ্য, লোক নিৰ্মাণ ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজিৰ দিনটোক অতি আনন্দৰ দিন বুলি অভিহিত কৰে। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে কয় যে ২০২০-২১ৰ বাৰ্ষিক বাজেটত ৰাজ্য চৰকাৰখনে কেইবাখনো জনকল্যাণকামী আঁচনিৰ ঘোষণা কৰিছিল। তাৰ ভিতৰত স্বয়ম আঁচনিখনো এক অন্যতম বুলি তেওঁ কয়। আজি এই আঁচনিখনৰ শুভাৰম্ভণিৰ জৰিয়তে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে বাজেটত উল্লেখিত ঘোষণাৰ বাস্তৱ ৰূপ প্ৰদান কৰিলে বুলিও তেওঁ কয়। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে বাজেটত উল্লেখ কৰা ধৰণে অৰুণোদয়, অৰুন্ধতী, ৫২ লাখ পৰিয়ালৰ প্ৰত্যেকলৈ ৩৫ কেজিকৈ বিনামূলীয়া চাউল যোগান, উচ্চ শিক্ষাৰ বাবে ঋণ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীক 'অভিনন্দন' আঁচনিৰে ৫০ হাজাৰ টকাৰ সাহায্য প্ৰদান, শিক্ষক নিযুক্তি ইত্যাদি সফলতাৰে সম্পন্ন কৰিছে বুলিও কয়। ক'ভিড-১৯ ৰ সময়তো বৰ্তমানৰ ৰাজ্য চৰকাৰখনে গুৱাহাটীৰ মালিগাঁৱত উৰণীয়া সেঁতু, চুপাৰ মাৰ্কেটৰ উৰণীয়া সেঁতু, গনেশগুৰি উৰণীয়া সেঁতু ইত্যাদিৰ দৰে বিভিন্ন উন্নয়নী কাম জনসাধাৰণৰ স্বাৰ্থত ক্ষিপ্ৰতাৰে সম্পন্ন কৰাৰ পদক্ষেপ লৈছে বুলি তেওঁ কয়। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে স্বয়ম আঁচনিখনৰ জৰিয়তে ১০ জনীয়া অথবা ৫ জনীয়া আত্মসহায়ক গোটৰ সদস্যসকলে প্ৰত্যেকে ৫০ হাজাৰ টকাকৈ লাভ কৰিবলৈ সক্ষম হ'ব বুলি কয়। প্ৰথম অৱস্থাত প্ৰতিগৰাকী হিতাধিকাৰীয়ে ৩০ হাজাৰ টকা লাভ কৰাৰ উপৰি তিনিদিনীয়া প্ৰশিক্ষণৰ অন্তত আৰু ২০ হাজাৰ টকাকৈ অৰ্থাৎ সৰ্বমুঠ ৫০ হাজাৰ টকাৰ আৰ্থিক অনুদান লাভ কৰিব বুলি তেওঁ কয়। আজি কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ হিতাধিকাৰীসকলে এই ধন লাভ কৰাৰ উপৰি অহা ২১ আৰু ২২ জানুৱাৰীত বিভিন্ন জিলাৰ হিতাধিকাৰীসকলে এই ধন লাভ

কৰিব। ধেমাজি আৰু শিৱসাগৰ জিলাত অহা ২৭ জানুৱাৰীত আৰু মাজুলী জিলাত মুখ্যমন্ত্ৰীয়ে এই ধনৰাশিৰ চেক পৰৱৰ্তী সময়ত প্ৰদান কৰিব বুলি তেওঁ কয়। মন্ত্ৰীগৰাকীয়ে এই ধনৰ উচিত প্ৰয়োগেৰে যুৱক-যুৱতীসকলক তেওঁলোকৰ সপোন বাস্তৱায়িত কৰাৰ বাবেও আহ্বান জনায়। আঁচনিৰ ধন সৎ ব্যৱহাৰ কৰিলে পৰৱৰ্তী পৰ্যায়ত চৰকাৰে আৰু অধিক সহায় কৰিব বুলিও তেওঁ কয়। এই আঁচনিৰ দ্বাৰা লাভান্বিত গোটসমূহক স্থানীয় এলেকাৰ চৰকাৰী বিভিন্ন কামত নিয়োজিত কৰাৰ বাবে পঞ্জীয়ন কৰা হ'ব বুলিও তেওঁ কয়। এই আঁচনিৰ অধীনত বৰ্তমান ১ হাজাৰ কোটি টকা ব্যয় কৰা হ'ব যদিও এয়া এক আৰম্ভণি বুলিহে মন্ত্ৰীগৰাকীয়ে কয়। ভৱিষ্যতে আৰু অধিক এনেধৰণৰ পদক্ষেপ লৈ যাব বুলি তেওঁ কয়।

বিত্ত বিভাগৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, জলসিঞ্চন বিভাগৰ ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী ভৱেশ কলিতা, পলাশবাৰী সমষ্টিৰ বিধায়ক প্ৰণৱ কলিতা, হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়া, প্ৰাক্তন সাংসদ বৈজয়ন্ত জয় পাণ্ডা, বিত্ত বিভাগৰ আয়ুক্ত সচিব শ্যাম জগন্নাথনকে ধৰি বহুসংখ্যক গণ্য-মান্য ব্যক্তিৰ লগতে আঁচনিখনৰ হিতাধিকাৰীসকল উপস্থিত থাকে।

**বঃভাঃ**
**২০/০১/২০২১**